# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-03-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব।

২।	কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ৰাষ্ট্ৰীয় শিক্ষানীতিত সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্গত ভাষাসমূহৰ প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

৩।	সমগ্ৰ দেশত পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে।

৪।	ভাৰতে  মুঠ ১৩৬টা পদকেৰে বিশ্ব পেৰা এথলেটিক্স গ্ৰাঁ প্ৰি ২০২৫ প্ৰতিযোগিতাৰ পদক তালিকাত শীৰ্ষ স্থান দখল কৰিছে।

*আৰু*

৫।	ভাৰতৰ ত্ৰিষা জ'লী আৰু গায়ত্ৰী গোপিচান্দ অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব। গৃহমন্ত্ৰীগৰাকী যোৰাহাটৰ পৰা পোনে পোনে গোলাঘাটলৈ যাব আৰু নিশাটো ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা একাডেমীখনৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখছাওলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখ'ছাওলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব। শ্ৰীশ্বাহে পৰহিলৈ কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে অঞ্চলটোত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ৰাষ্ট্ৰীয় শিক্ষানীতিত সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্গত ভাষাসমূহৰ প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। পুডুচেৰীত কালি পদ্মশ্ৰী সন্মানেৰে বিভূষিত দটচন মূৰ্তিৰ সন্মানাৰ্থে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমেঘৱালে কয়, যে

অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত ধ্ৰুপদী ভাষা হিচাপে তামিল ভাষাৰ প্ৰসাৰ ঘটোৱা হ'ব। ইয়াৰ পূৰ্বে শ্ৰীমেঘৱালে পুডুচেৰীৰ বিধানসভাৰ অধ্যক্ষক সাক্ষাৎ কৰাৰ লগতে বিজেপিৰ মন্ত্ৰী আৰু বিধায়কসকলৰ সৈতে বৈঠকত মিলিত হয়।

০০০০০

তামিলনাডুৰ ২০২৫-২৬ বৰ্ষৰ বাজেটৰ ল'গ'ৰ পৰা টকাৰ চিহ্ন আঁতৰাবলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে লোৱা সিদ্ধান্ত ব্যাপক সমালোচনাৰ সন্মুখীন হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সামাজিক মাধ্যমৰ এটা পোষ্টত ডি এম কে চৰকাৰক সমালোচনা কৰি এই সিদ্ধান্তক ভাষিক আৰু আঞ্চলিক উগ্ৰ জাতীয়তাবাদৰ উদাহৰণ বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই সিদ্ধান্তই দেশৰ অখণ্ডতাক বিপন্ন কৰিব পৰা বিপদজ্জনক মানসিকতাক প্ৰতিফলিত কৰিছে। টকাৰ চিহ্নটোক ডি এম কেৰ বিৰোধিতাৰ সমালোচনা কৰি শ্ৰীমতী সীতাৰমনে কয়, যে ২০১০ চনত কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰে এই চিহ্নটো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছিল আৰু সেই সময়ত ডি এম কে মিত্ৰজোঁটৰ অংশীদাৰ আছিল। তেওঁ কয়, যে এই মানসিকতাই দেশৰ ঐক্য বিপন্ন কৰাৰ লগতে আঞ্চলিকতাবাদৰ নামত বিছিন্নতাবাদী মনোভাৰ গঢ়ি তুলিব। দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰাটো নিৰ্বাচিত প্ৰতিনিধিসকলৰ সাংবিধানিক কৰ্তব্য বুলি সোঁৱৰাই দি তেওঁ কয়, যে এই সিদ্ধান্ত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিপন্থী। এই চিহ্নটোৰ ডি এম কেৰ প্ৰাক্তন বিধায়ক এন ধৰ্মালিংগমৰ পুত্ৰ ডি উদয় কুমাৰে প্ৰস্তুত কৰি উলিয়াইছিল বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে কয়, যে দলটোৱে এই সিদ্ধান্তৰ জৰিয়তে এজন তামিল যুৱকৰ সৃষ্টিশীল অৱদানক অসন্মান কৰিছে। বিজেপিৰ আই টি কোষৰ মুৰববী অমিত মালব্যই এই সিদ্ধান্তক সমালোচনা কৰি কয়, যে ইয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে তামিলসকলক অপমান কৰিছে। এ আই ডি এম কেৰ সাধাৰণ সম্পাদক তথা বিৰোধী দলৰ নেতা ই কে পালানিশ্বামীয়ে চৰকাৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰিছে।

০০০০০

দেশৰ বিভিন্ন অংশত কাইলৈ ৰঙৰ উৎসৱ ফাকুৱা পালন কৰা হ'ব যদিও দ্বাদশ শ্ৰেণীৰ পৰীক্ষা নিৰ্ধাৰিত সূচী অনুসৰি অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ CBSEয়ে প্ৰকাশ কৰিছে। পৰিষদে এটা বিবৃতি যোগে কৈছে, যে কাইলৈ হিন্দী মূল আৰু হিন্দী ঐচ্ছিক বিষয়ৰ পৰীক্ষা পূৰ্বৰ সূচী অনুসৰি অনুষ্ঠিত হ'ব। পৰিষদে লগতে কাইলৈ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰা শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অংশগ্ৰহণ কৰা বিদ্যাৰ্থীসকলৰ বাবে আয়োজিত বিশেষ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০

সমগ্ৰ দেশতে পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। বসন্ত ঋতুৰ আগমণৰ সময়ত পালন কৰা এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ক সূচায় আৰু সমাজত একতা আৰু সমন্বয়ৰ বান্ধোন সুদৃঢ় কৰে। হোলিকা দহনেৰে আৰম্ভ হোৱা এই উৎসৱ সত্য আৰু ন্যায়ৰ জয়ৰ প্ৰতীক স্বৰূপ।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ৰঙৰ উৎসৱ ফাকুৱাই আনন্দ আৰু উৎসাহৰ বতৰা কঢ়িয়াই আনে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয়, যে ফাকুৱাই অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় আৰু বসন্ত ঋতুৰ আগমণক সূচায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে আনন্দ-উৎসাহৰ এই উৎসৱে সকলোৰে জীৱনলৈ উৎসাহ আৰু উদ্যমৰ নতুন বতৰা কঢ়িয়াই আনিব আৰু দেশৱাসীৰ মাজত ঐক্যৰ ৰং গভীৰ কৰি তুলিব।

ooooo

ছত্তিশগড়ৰ বিজাপুৰ জিলাত কালি ১৭ জন নক্সালবাদীয়ে জ্যেষ্ঠ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ বিষয়াৰ ওচৰত অস্ত্ৰসমৰ্পণ কৰে। ইয়াৰে ৯ জনৰ সন্ধেদ দিব পাৰিলে ২৪ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি পূৰ্বে ঘোষণা কৰা হৈছিল। এই নক্সালবাদী কেইজন গংগালুৰ অঞ্চলত মাওবাদী সংগঠনৰ প্ৰসাৰৰ লগতে বিভিন্ন কাম-কাজৰ সৈতে জড়িত আছিল।

ooooo

ভাৰতৰ ত্ৰিষা জ'লী আৰু গায়ত্ৰী গোপিচান্দৰ যুটীটো বাৰ্মিংহামত অনুষ্ঠিত অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ত্ৰিষা আৰু গায়ত্ৰীৰ যুটীটোৱে কালি বিয়লি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন সংঘৰ্ষপূৰ্ণ খেলত দক্ষিণ কোৰিয়াৰ কোং হি য়ং আৰু কিম হয়ে জিয়ঙৰ যুটীটোক ১৫-২১, ২১-১৮, ২১-১৮ গেমত পৰাস্ত কৰে। ভাৰতীয় যুটীটো আজি বিয়লি হ'বলগীয়া কোৱাৰ্টাৰ ফাইনেলত চীনৰ টেন নিং আৰু লিউ শ্বেংছুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে লক্ষ্য সেনেও পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। লক্ষ্য সেনে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইণ্ডোনেছিয়াৰ জোনাথন ক্ৰিষ্টিক ২১-১৩, ২১-১০ পোনপটীয়া গেমত পৰাভূত কৰে। খেলুৱৈগৰাকী আজি কোৱাৰ্টাৰ ফাইনেলত চীনৰ লি শ্বিফেঙৰ সন্মুখীন হ'ব।

ooooo

মুম্বাই ইণ্ডিয়ানছ মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মুম্বাই ইণ্ডিয়ানছে যোৱানিশা মুম্বাইত অনুষ্ঠিত এলিমিনেটৰ খেলখনত গুজৰাট জায়েণ্টছক ৪৭ ৰানত পৰাস্ত কৰে। মুম্বাই দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান কৰে। মুম্বাইৰ হৈ হিলি মেথিউজে আৰু চাইবাৰ ব্ৰণ্ট উভয়ে ৭৭ ৰানকৈ কৰে। প্ৰত্যুত্তৰত গুজৰাট জায়েণ্টছে ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হিলি মেথিউজে তিনিটা উইকেট দখল কৰে। মেথিউজক প্লেয়াৰ অব্ দ্যা মেছ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছ কাইলৈ মুম্বাইত হ'বলগীয়া ফাইনেলত ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতে দিল্লীত অনুষ্ঠিত বিশ্ব পেৰা এথলেটীক্স গ্ৰাঁ প্ৰি ২০২৫ত সুন্দৰ প্ৰদৰ্শনেৰে ৪৫টা সোণ, ৪০টা ৰূপ আৰু ৪৯টা ব্ৰঞ্জসহ মুঠ ১৩৬টা পদক লাভ কৰি পদক তালিকাত শীৰ্ষ স্থান দখল কৰিছে। ভাৰতীয় খেলুৱৈসকলে ট্ৰেক এণ্ড ফিল্ড শিতানত অভূতপূৰ্ব প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। ভাৰতে কালি প্ৰতিযোগিতাৰ অন্তিম দিনা পুৰুষৰ শ্বটপুটৰ আটাইকেইটা শিতানত পদক অৰ্জন কৰে। ভাৰতৰ সাগৰে ১১ দশমিক ৪-৭ মিটাৰলৈ থ্ৰ' কৰি সোণৰ পদক অৰ্জন কৰে। এই শিতানত সতীৰ্থ খেলুৱৈ জংকা সিঙে ৰূপৰ

আৰু বালাজী ৰাজেন্দ্ৰই ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ টি-থাৰ্টি চেভেন শিতানত ২০০ মিটাৰ দৌৰত ডিমিট্ৰি ছে'ফ্ৰন'ভে সোণৰ পদক হস্তগত কৰে। এই শিতানত ভাৰতৰ বিনয়ে ৰূপৰ আৰু অভিষেক বাবা চাহিব যাধৱে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ ২০০ মিটাৰ দৌৰত অষ্ট্ৰেলিয়াৰ ৰিয়ানোন ক্লাৰ্কে সোণৰ পদক লাভ কৰে। ভাৰতৰ প্ৰীতি পালে এই শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

০০০০০

**সমাপ্ত**